**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-01-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১।	কৃত্রিম বুদ্ধিমত্তা, স্বাস্থ্য সেৱা, শিক্ষা, কৃষি, নিৰ্মাণ, প্ৰশাসন আৰু আন্তঃগাঁথনিৰ দৰে বিভিন্ন খণ্ডৰ বাবে ৰূপান্তৰকাৰী শক্তিৰূপে পৰিগণিত হোৱা বুলি তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

২।	বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি নতুন দিল্লীত পৰিপুষ্টি সুৰক্ষা আৰু পুষ্টিহীনতা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কোম্পানীৰ সামাজিক দায়বদ্ধতা সম্পৰ্কীয় এখন সন্মিলন উদ্বোধন কৰে।

৩।	দেশৰ আগশাৰীৰ চিকিৎসা বিশেষজ্ঞসকলে এণ্টিবায়ʼটিকৰ মাত্ৰাধিক ব্যৱহাৰ আৰু ইয়াৰ ফলস্বৰূপে ৰোগ নিয়ন্ত্ৰণৰ ক্ষমতা কমি যোৱাৰ সমস্যাৰ বিষয়ে সঁকিয়াই দিছে।

৪।	পাঞ্জাৱত আজি দুটা পৃথক অভিযানত আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰ, গুলী-বাৰুদ আৰু নিষিদ্ধ ঔষধসহ ৭ জনক গ্ৰেপ্তাৰ কৰে।

***আৰু***

৫।	ভাৰতৰ অনাহত সিঙে বৃটিছ জুনিয়ৰ অʼপেন স্কোৱাছ চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

কৃত্রিম বুদ্ধিমত্তা, স্বাস্থ্য সেৱা, শিক্ষা, কৃষি, নিৰ্মাণ, প্ৰশাসন আৰু আন্তঃগাঁথনিৰ দৰে বিভিন্ন খণ্ডৰ বাবে ৰূপান্তৰকাৰী শক্তিৰূপে পৰিগণিত হোৱা বুলি তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। ভাৰ্চুৱেল ব্যৱস্থাৰে জয়পুৰত আয়োজিত কৃত্রিম বুদ্ধিমত্তা সন্মিলন মুকলি কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কৃত্রিম বুদ্ধিমত্তা অকল ভৱিষ্যতৰ প্ৰযুক্তিয়ে নহয়, বৰং এক প্ৰকাৰৰ শক্তিশালী আহিলা। কৃত্রিম বুদ্ধিমত্তাই ইতিমধ্যে মানৱ জীৱন আৰু কৰ্মশৈলীক ন-ৰূপ প্ৰদান দিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে ভাৰতত অহা মাহত

গোলকীয় কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰ কৃত্ৰিম বুদ্ধিমত্তাৰ দায়বদ্ধ, সৰ্বাত্মক আৰু নৈতিক ব্যৱহাৰৰ বাবে বদ্ধপৰিকৰ।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি নতুন দিল্লীত পৰিপুষ্টি সুৰক্ষা আৰু পুষ্টিহীনতা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কোম্পানীৰ সামাজিক দায়বদ্ধতা সম্পৰ্কীয় এখন সন্মিলন উদ্বোধন কৰে। এই উপলক্ষে শ্ৰীগোৱেলে কয়, যে গৰ্ভাৱস্থাৰ সময়ত সঠিক পৰিপুষ্টি নিশ্চিত কৰি পুষ্টিহীনতা দূৰ কৰিব পৰা যায়। তেওঁ কয়, যে পুষ্টিহীনতা ফলপ্ৰসূভাৱে কম কৰাৰ বাবে ইয়াৰ মূল কাৰণসমূহ দূৰ কৰিব লাগিব। মন্ত্ৰীগৰাকীয়ে কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে সমগ্ৰ চৰকাৰ দৃষ্টিভংগীৰে কাম কৰি আছে আৰু কোম্পানীৰ সামাজিক দায়বদ্ধতা উদ্যমসমূহে পুষ্টিহীনতা দূৰ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

সন্মিলনত ছত্তিশগড়ৰ ভিল্লাই তীখা প্ৰকল্পত কোম্পানীৰ সামাজিক দায়বদ্ধতা উদ্যমৰ অধীনত ৰূপায়ণ কৰা গিফ্‌ট মিল্ক কাৰ্য্যসূচীৰ তৃতীয় পৰ্য্যায় মুকলি কৰা হয়। এই উদ্যমৰ অধীনত ভিল্লাই তীখা প্ৰকল্পৰ খনন এলেকাসমূহৰ চৰকাৰী বিদ্যালয়সমূহত অধ্যয়নৰত প্ৰায় ৪ হাজাৰ শিশু উপকৃত হ'ব।

ooooo

দেশৰ আগশাৰীৰ চিকিৎসা বিশেষজ্ঞসকলে এণ্টিবায়'টিকৰ মাত্ৰাধিক ব্যৱহাৰ আৰু ইয়াৰ ফলস্বৰূপে ৰোগ নিয়ন্ত্ৰণৰ ক্ষমতা কমি যোৱাৰ সমস্যাৰ বিষয়ে সঁকিয়াই দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মাহৰ মন কী বাতত জনসাধাৰণক চিকিৎসকৰ সঠিক পৰামৰ্শ অনুসৰি, উচিত ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছিল।

আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ অণুজীৱ বিজ্ঞান বিভাগৰ মূৰব্বী ডাঃ বিমল কুমাৰ দাসে কয়, যে ভালেমান বেক্টেৰিয়াই সাধাৰণতে ব্যৱহৃত এণ্টিবায়'টিকৰ বিৰুদ্ধে প্ৰতিৰোধী ক্ষমতা গঢ়ি তুলিছে আৰু ইয়াৰ ফলত এই ঔষধসমূহ প্ৰভাৱহীন হৈ পৰিছে।

বৰ্ধমান মহাবীৰ চিকিৎসা মহাবিদ্যালয় আৰু ছফদৰজং চিকিৎসালয়ৰ সঞ্চালক ডাঃ সঞ্জীৱ বানচালে কয়, যে বিষয়টো ইমানে গুৰুতৰ হৈ পৰিছে যে, প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক এণ্টিবায়'টিকৰ মাত্ৰাধিক ব্যৱহাৰৰ বিষয়ে সঁকিয়াই দিবলগীয়া হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মাহত আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত যধে-মধে এণ্টিবায়'টিকৰ ব্যৱহাৰ নকৰিবলৈ সঁকিয়াই দিছিল। চিকিৎসকৰ পৰামৰ্শ অনুসৰিহে এণ্টিবায়'টিক ব্যৱহাৰ কৰিবলৈ তেওঁ পৰামৰ্শ দিছিল।

ooooo

পাঞ্জাৱত আজি দুটা পৃথক অভিযানত আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ আৰু নিষিদ্ধ ঔষধসহ ৭ জনক গ্ৰেপ্তাৰ কৰে। পাঞ্জাৱ আৰক্ষীৰ কাৰ্য্যবাহীয়ে সীমা সুৰক্ষা বাহিনীৰ সৈতে অভিযান চলাই অমৃতসৰৰ এখন সীমান্তৱৰ্তী গাঁৱৰ পৰা ২০ কিলোগ্ৰাম হেৰ'ইনসহ চাৰিজন লোকক আটক কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, দলটোৰ মূল কাৰ্য্যকাৰীজনৰ পাকিস্তানৰ সৈতে সংযোগ আছিল আৰু সমগ্ৰ অঞ্চলটোত ড্ৰাগছৰ যোগান ধৰি আহিছে। আন এক অভিযানত ব্যথিন্দা আৰক্ষীয়ে অভিযান চলাই চাৰিটা অবৈধ পিষ্টল আৰু ২৬ টা সজীৱ কাৰ্টিজসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই জনোৱা অনুসৰি, অভিযুক্তসকলৰ এজনে শেহতীয়াকৈ বিশেষ হত্যাৰ লক্ষ্যৰে কানাডাৰ পৰা ব্যথিন্দালৈ আহিছিল। ঘটনাৰ অধিক তদন্ত এতিয়াও চলি আছে।

০০০০০

ভাৰত শক্তি সপ্তাহ অহা ২৭ জানুৱাৰীৰ পৰা গোৱাত অনুষ্ঠিত হ'ব। এই চাৰিদিনীয়া অনুষ্ঠানত চৰকাৰী বিষয়া, উদ্যোগ জগতৰ কাণ্ডাৰী আৰু উদ্ভাৱকসকলে নিৰাপদ, স্থায়ী আৰু বহনসাধ্য শক্তি ভৱিষ্যতৰ প্ৰসাৰৰ চেষ্টা চলাব। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্‌ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই অনুষ্ঠানত শক্তি সুৰক্ষা সুদৃঢ় কৰা, বিনিয়োগৰ প্ৰসাৰ আৰু কাৰ্বন নিৰ্গমণ কম কৰাৰ বাবে ব্যৱহাৰিক তথা ব্যাপক উপায় বিকশাই তোলাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। আমেৰিকা, ইউৰোপ, মধ্য প্ৰাচ্য, আফ্ৰিকা আৰু এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতিনিধিসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। আন্তঃৰাষ্ট্ৰীয় শক্তি সংস্থাৰ বিশ্ব শক্তি দৃষ্টিভংগী-২০২৫ অনুসৰি, অকল ভাৰততে ২০৫০ চনলৈ শক্তিৰ চাহিদা ২৩ শতাংশৰো অধিক বৃদ্ধি পাব। ভাৰতে দীৰ্ঘকালীন শক্তি সুৰক্ষা বৃদ্ধি কৰাৰ বাবে ঘৰুৱা অন্বেষণ আৰু আন্তঃগাঁথনি সুদৃঢ়কৰণৰ কাম অব্যাহত ৰাখিছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে আজি লাক্সেমবাৰ্গৰ প্ৰধানমন্ত্ৰী ল্যুক ফ্ৰিডেনক সাক্ষাৎ কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে, সাক্ষাৎকালত তেওঁলোকে বিত্তীয় সেৱা, বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত উভয় দেশৰ মাজৰ বৰ্ধিত সহযোগিতাক লৈ আলোচনা কৰে। তেওঁ লগতে ভাৰত-ইউৰোপীয় সংঘৰ মাজত শক্তিশালী সম্বন্ধ গঢ়ি তোলাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়-সমৰ্থৰ বাবে প্ৰধানমন্ত্ৰী ল্যুকক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

নেপালৰ পাৰছ্‌ জিলা প্ৰশাসনে সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে আজি বীৰগঞ্জ মহানগৰপালিকা এলেকাত বলবৎ থকা সান্ধ্য আইনৰ সময়সীমা বৃদ্ধি কৰে। সামাজিক মাধ্যম টিকটকযোগে কৰা মন্তব্যক লৈ দুটা সম্প্ৰদায়ৰ মাজত বিবাদ সৃষ্টি হোৱাৰ পাছত বীৰগঞ্জৰ পৰিস্থিতি অশান্ত হৈ পৰে। দেওবাৰে কমলা নগৰ পালিকাৰ এটা মছজিদ লণ্ডভণ্ড কৰাৰ পাছত পৰিস্থিতিৰ অধিক অৱনতি ঘটে। এই ঘটনাৰ পাছত প্ৰতিবাদকাৰীয়ে বীৰগঞ্জ আৰু চৌপাশৰ এলেকাসমূহত ৰেলী উলিয়ায়, টায়াৰ জ্বলায় আৰু শ্লোগান দিয়ে। নিষেধাজ্ঞা প্ৰযোজ্য হৈ থকা সত্ত্বেও প্ৰতিদ্বন্দ্বী গোটসমূহে প্ৰতিবাদ অব্যাহত ৰাখিছে। চপকায়া ঈদগাহ চ'কত প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত সংঘৰ্ষ হোৱাৰ বাতৰি পোৱা গৈছে। কৰ্তৃপক্ষসমূহে এই ঘটনা সংক্ৰান্তত তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

পশ্চিমবংগত নিৰ্বাচন আয়োগে ভোটাৰ তালিকাত তথ্যৰ অসামঞ্জস্যতা বা যুক্তিসংগত ত্ৰুটিৰ অভিযোগৰ সৈতে জড়িত সকলো জাননী তাৎক্ষণিকভাৱে ডাউনল'ড কৰি অনাগত চাৰিৰ পৰা পাঁচ দিনৰ ভিতৰত সংশ্লিষ্ট ভোটাৰসকললৈ প্ৰেৰণ কৰিবলৈ কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। লগতে, এই কামত কোনো ধৰণৰ গাফিলতি সহ্য কৰা নহ'ব বুলিও স্পষ্টভাৱে জনোৱা হৈছে। এই নিৰ্দেশনাৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্য্যালয়ে সকলো জিলা নিৰ্বাচনী বিষয়ালৈ টোকা প্ৰেৰণ কৰিছে, য'ত উল্লেখ কৰা হৈছে যে, আজিৰে পৰা প্ৰতিটো বিধানসভা সমষ্টিত কিমান যুক্তিসংগত ত্ৰুটিৰ জাননী প্ৰেৰণ কৰা হৈছে, সেই সন্দৰ্ভত দৈনিক এক বিশদ প্ৰতিবেদন দাখিল কৰিব লাগিব। উল্লেখযোগ্য যে, ৰাজ্যখনৰ ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত

পুনৰীক্ষণৰ সময়ত প্ৰথমতে প্ৰায় ১ কোটি ৩৪ লাখ ভোটাৰৰ নাম তথ্যৰ অসামঞ্জস্যতাৰ তালিকাত প্ৰকাশ হৈছে, কিন্তু পৰৱৰ্তী পৰীক্ষণ আৰু সংশোধনৰ পাছত সেই সংখ্যা কমিছে। শেহতীয়া পৰিসংখ্যা অনুসৰি, যুক্তিসংগত ত্ৰুটিৰ শ্ৰেণীৰ অন্তৰ্গত ভোটাৰৰ সংখ্যা প্ৰায় ৯৫ লাখলৈ হ্ৰাস পাইছে।

ooooo

ভাৰতৰ অনাহত সিঙে বৃটিছ জুনিয়ৰ অ'পেন স্কোৱাছ চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে আজি বাৰ্মিংহামত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ শিতানৰ ছেমি ফাইনেলত ইজিপ্তৰ মলিকা অল কাৰ্কচিক ১১-৮, ১১-৭, ১১-৯ ফলাফলত পৰাস্ত কৰে। অনাহত কাইলৈ ফাইনেলত ইউৰোপীয় জুনিয়ৰ চেম্পিয়ন তথা দ্বিতীয় বাছনিপ্ৰাপ্ত ফ্ৰান্সৰ ল'ৰেন বাল্টায়নৰ সন্মুখীন হ'ব।

ooooo

সমাপ্ত